দেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

গষ্ট ২০২৬ চন ☐ VOL-16 ☐ NO-150 ☐ MONDAY 3 AUGUST 2026 (ডিব্ৰুগড় সংস্কৰণ/DIB

## সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা ব্যক্তিলৈ বিশেষ বঁটা

# ডিব্ৰুগড়ত শ্ৰুতি শিল্পী সমাজৰ 'মানুহে মানুহৰ বাবে' অনুষ্ঠানৰ আয়োজন

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২ আগষ্ট ঃ** বিশ্ববিশ্ৰুত শিল্পী, সংগীত সূৰ্য, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমাজলৈ অনবদ্য অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক সন্মান জনোৱাৰ উদ্দেশ্যে শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড়ে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰিছে। ডিব্ৰুগড় কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ সক্ৰিয় সহযোগত ৮ আগষ্টত অনুষ্ঠিত হ'বলগীয়া 'মানুহে মানুহৰ বাবে' শীৰ্ষক এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তিক বিভিন্ন সন্মান আৰু বঁটাৰে বিভূষিত কৰা হ'ব। উক্ত দিনটোত 'মানৱতাৰ দিৱস' হিচাপে উদ্‌যাপন কৰি সমাজলৈ আগবঢ়োৱা অসামান্য সেৱা আৰু অৱদানৰ স্বীকৃতি স্বৰূপ 'মানৱতাৰ বঁটা' প্ৰদান কৰা হ'ব হৃদৰোগ বিশেষজ্ঞ ডাঃ হেমচন্দ্ৰ কলিতাক। 'মানৱ সেৱাৰ বঁটা' স্ত্ৰী-ৰোগ বিশেষজ্ঞ ডাঃ ৰীণা দত্ত আহমেদলৈ আগবঢ়োৱা হ'ব। আনহাতে, ডিব্ৰুগড়ত কেইবাখনো শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি সমাজসেৱাৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰা পদ্মশ্ৰী, বিশিষ্ট সমাজহিতৈষী হনুমান বক্স কানৈলৈ (মৰণোত্তৰভাৱে) 'জীৱনজোৰা সাধনা বঁটা' আগবঢ়োৱা হ'ব। লগতে দানবীৰ, সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈক 'সমাজ ৰত্ন উপাধি' প্ৰদান কৰা হ'ব।

ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত ৮ আগষ্টৰ আবেলি ৩.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ হিচাপে কবি, চিকিৎসক ডাঃ প্ৰণয় ফুকনৰ সম্পাদনাত প্ৰকাশিত তথ্যসমৃদ্ধ স্মৃতিগ্ৰন্থ 'মই আহিছোঁ' উন্মোচন কৰা হ'ব। শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড়ৰ সভাপতি ড° নৱজ্যোতি গগৈ আৰু সম্পাদক চন্দন পাঠকে অনুষ্ঠানটো সফল কৰি তুলিবলৈ সকলো শুভাকাংক্ষী, গুণমুগ্ধ আৰু সচেতন নাগৰিকৰ উপস্থিতি আন্তৰিকভাৱে কামনা কৰিছে।